জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ২৭১/২০২১

# ৰাজ্যবাসীৰ কুশল-মংগলৰ অৰ্থে ঢেকীয়াখোৱা বৰনামঘৰ আৰু টীয়কৰ শ্ৰীশ্ৰী আউনীআটী সত্ৰত সেৱা আগবঢ়ালে মুখ্যমন্ত্ৰীয়ে

**দিছপুৰ, ১৫ ছেপ্টেম্বৰ ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই পৱিত্ৰ ভাদ মাহ উপলক্ষে আজি মহাপুৰুষ শ্ৰীশ্ৰী মাধৱদেৱে স্থাপন কৰা ঢেকীয়াখোৱা বৰনামঘৰত উপস্থিত হৈ ৰাজ্যবাসীৰ কুশল-মংগলৰ অৰ্থে সেৱা আগবঢ়ায়। উল্লেখ্য যে মুখ্যমন্ত্ৰী হিচাপে দায়িত্ব গ্ৰহণ কৰাৰ পিছত প্ৰথমবাৰলৈ ঢেকীয়াখোৱা বৰনামঘৰত তেওঁ সেৱা আগবঢ়ায়।

ইয়াৰ পিছতে সাংবাদিকৰ সৈতে হোৱা বাৰ্তালাপত মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে ঢেকীয়াখোৱা বৰনামঘৰত ৰাজ্য চৰকাৰৰ 'অসম দৰ্শন' আৰু 'আনটাইড ফাণ্ড'ৰ অধীনত বহুতো উন্নয়নমূলক কাম ৰূপায়ণ কৰি থকা হৈছে। তেওঁ লগতে কয় যে ৰাজ্য চৰকাৰে বৰনামঘৰৰ আন্তঃগাঁথনি সৱলীকৰণৰ বাবে 'আনটাইড ফাণ্ড'ৰ অধীনত অতিৰিক্ত এক কোটি টকা প্ৰদান কৰিব। তদুপৰি, বৰনামঘৰ সমিতিৰ অনুৰোধ অনুসৰি ৰাজ্য চৰকাৰে ঢেকীয়াখোৱা বৰনামঘৰৰ পৰা জাঁজীমুখ সংযোগী আৰু ঢেকীয়াখোৱা বৰনামঘৰ আলিমূৰৰ মূল তোৰণৰ পৰা বৰনামঘৰ সংযোগী তিনি কিলোমিটাৰ পথ নিৰ্মাণৰো পদক্ষেপ ল'ব বুলি তেওঁ কয়। আনহাতে, বৰনামঘৰ সমিতিয়ে মহাপুৰুষ শ্ৰীশ্ৰী মাধৱদেৱৰ নামত এক কলাক্ষেত্ৰ নিৰ্মাণৰ বাবে অনুৰোধ জনোৱাৰ প্ৰসংগ উত্থাপন কৰি মুখ্যমন্ত্ৰীয়ে কয় যে এই প্ৰকল্পৰ বাবে প্ৰয়োজনীয় ভূমি চিনাক্ত কৰিবলৈ যোৰহাট জিলাৰ উপায়ুক্তক নিৰ্দেশ দিয়া হৈছে।

ঢেকীয়াখোৱা বৰনামঘৰত সেৱা আগবঢ়োৱাৰ সময়ত শিক্ষা মন্ত্ৰী ডাঃ ৰণোজ পেগু, সাংসদদ্বয় কামাখ্যা প্ৰসাদ তাছা আৰু তপন কুমাৰ গগৈ, প্ৰাক্তন সাংসদ তথা ৰাজ্যিক উদ্ভাৱনী আৰু ৰূপান্তৰ আয়োগৰ সহঃউপাধ্যক্ষ ৰমেন ডেকা, মুখ্যমন্ত্ৰীৰ সহধৰ্মিনী ৰিণিকি ভূঞা শৰ্মাও উপস্থিত থাকে।

ঢেকীয়াখোৱা বৰনামঘৰত সেৱা আগবঢ়োৱাৰ পিছতে মুখ্যমন্ত্ৰীয়ে টীয়কৰ চটাইস্থিত বৈকুণ্ঠথলী শ্ৰীশ্ৰী আউনীআটী সত্ৰত উপস্থিত হৈ ৰাজ্যবাসীৰ সুস্বাস্থ্য আৰু মংগলৰ বাবে গুৰু আসনত সেৱা আগবঢ়ায়। মুখ্যমন্ত্ৰীৰ আগমণ উপলক্ষে সত্ৰখনত অনুষ্ঠিত এক অনুষ্টুপীয়া কাৰ্যসূচীত আউনীআটী সত্ৰৰ সত্ৰাধিকাৰ শ্ৰীশ্ৰী পীতাম্বৰ দেৱগোস্বামীয়ে মুখ্যমন্ত্ৰী ড° শৰ্মাক 'কৰ্ম শিৰোমণি' উপাধি প্ৰদান কৰে। এই উপাধি গ্ৰহণ কৰি প্ৰদান কৰা ভাষণত মুখ্যমন্ত্ৰী ড° শৰ্মাই শ্ৰীশ্ৰী আউনীআটী সত্ৰই এই চৌহদতে এখন বিশ্ববিদ্যালয় প্ৰতিষ্ঠাৰ বাবে গ্ৰহণ কৰা পদক্ষেপৰ শলাগ লয়। মুখ্যমন্ত্ৰীয়ে লগতে আশা প্ৰকাশ কৰে যে শ্ৰীশ্ৰী আউনীআটী সত্ৰই প্ৰতিষ্ঠা কৰিবলগীয়া এই বিশ্ববিদ্যালয়ে আধ্যাত্মিকতা আৰু শিক্ষাৰ নিৰ্মল বন্তি জলাই ৰাখিবলৈ সক্ষম হ'ব।

আউনীআটী সত্ৰত সেৱা আগবঢ়োৱাৰ সময়ত শিক্ষা মন্ত্ৰী ডাঃ ৰণোজ পেগু, ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী যোগেন মহন, সাংসদদ্বয় তপন কুমাৰ গগৈ আৰু কামাখ্যা প্ৰসাদ তাছা, প্ৰাক্তন বিধায়ক ৰূপজ্যোতি কুৰ্মী, মুখ্যমন্ত্ৰীৰ সহধৰ্মিনী ৰিণিকি ভূঞা শৰ্মা উপস্থিত থাকে।

**বীঃগঃ**

**১৫-০৯-২০২১**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com

/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in